# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 13-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১।	৮২ জনীয়া ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ লগতে ১১খন ৰাজ্যৰ ৩৩টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ  আৰম্ভ হৈছে।

২।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰত ১২ হাজাৰ কোটিৰো অধিক টকাৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

৩।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি চিলভাচাৰ নমো চিকিৎসা শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠান পৰিদৰ্শন কৰিব।

৪।	বিদেশ পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত চৌদি আৰবৰ বিদেশ মন্ত্ৰী ৰাজকুমাৰ ফৈজল বিন, ফৰহান অল চৌদৰ সৈতে বৈঠকত মিলিত হ'ব।

*আৰু*

৫।	ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ছেঞ্চুৰীয়ানত অনুষ্ঠিত হ'ব।

০০০০০

৮২ জনীয়া ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ কটকটীয়া নিৰাপত্তাৰ মাজত আৰম্ভ হৈছে। এই পৰ্যায়ত ৰাজ্যখনৰ ১৫খন জিলাৰ ৪৩ টা সমষ্টিক সামৰি লোৱা হৈছে। স্পৰ্শকাতৰ বুলি চিনাক্ত কৰা ৯৫০টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাহিৰে বাকী কেন্দ্ৰসমূহত বিয়লি ৫ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। সংবেদনশীল কেন্দ্ৰসমূহত বিয়লি ৪ বজাত ভোটগ্ৰহণ সমাপ্ত হ'ব। এই পৰ্যায়ত এক কোটি ৩৭ লাখৰো অধিক ভোটদাতাই ৭৩ গৰাকী মহিলাসহ মুঠ ৬৮৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আগশাৰীৰ প্ৰাৰ্থীসকলৰ ভিতৰত ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী  বিজেপিৰ চম্পাই চোৰেন, ৰাজ্যসভাৰ সাংসদ তথা জে এম এমৰ প্ৰাৰ্থী মহুৱা মাঝি, কংগ্ৰেছৰ ৰামেশ্বৰ ওৰাওঁ, জে ডি ইউৰ ছৰয়ু ৰায় আৰু এ জে এছ্ ইউৰ লাল মাহাটো অন্যতম। ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়া কে ৰবিকুমাৰে ভোটদাতাসকলক নিৰ্ভয়ে ভোটদান কৰিবলৈ আহ্বান জনাইছে।

আমাৰ সংবাদদাতাই জনাইছে যে, মুক্ত আৰু নিকা নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে পৰ্যাপ্ত সুৰক্ষা ব্যৱস্থা কৰা হৈছে। ৰাজ্যখনত বিভিন্ন প্ৰান্তত কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ ২০০ টা কোম্পানী নিয়োজিত কৰা হৈছে। আন্তঃৰাজ্যিক সীমান্তসমূহ বন্ধ কৰি দিয়া হৈছে। উত্তৰ প্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশ, ছত্তিশগড় আৰু ওড়িশাৰ সীমান্তৱৰ্তী এলেকাসমূহত যুটীয়া অভিযান আৰম্ভ কৰা হৈছে। সম্ভাব্য যিকোনো পৰিস্থিতিৰ জোৰামৰাৰ বাবে হেলিকাপ্তাৰ সাজু কৰি ৰখা হৈছে।

০০০০০

কেৰালাৰ ৱায়নাড় সংসদীয় সমষ্টিৰ লগতে ১১ খন ৰাজ্যৰ ৩৩ টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণো ইতিমধ্যে আৰম্ভ হৈছে। উপ-নিৰ্বাচন অনুষ্ঠিত সমষ্টিকেইটাৰ ভিতৰত অসমৰ ৫টা, ৰাজস্থানৰ ৭, পশ্চিমবংগৰ ৬, বিহাৰৰ ৪, কৰ্ণাটকৰ ৩ টা, মধ্য প্ৰদেশ আৰু ছিকিমৰ দুটাকৈ তথা কেৰালা, ছট্টিশগড়, গুজৰাট আৰু মেঘালয়ৰ একোটাকৈ সমষ্টি আছে।

অসমৰ চিদলী, বঙাইগাঁও, চামগুৰি, বিহালী আৰু ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচন নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে এহেজাৰ ৭৮টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে চিদলীত ২৭৩টা, বঙাইগাঁৱত ২৪৬টা, চামগুৰিত ১৯৭টা, বিহালীত ১৫৪টা আৰু ধলাইত ২০৮টা ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে। ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে চামগুৰি সহ আটাইকেইটা সমষ্টিতে পৰ্যাপ্ত সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে। চামগুৰি সমষ্টিত প্ৰচাৰ অভিযানৰ সময়ত ভালেমান হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ পৰিপ্ৰেক্ষিতত সমষ্টিটোৰ প্ৰায় প্ৰতিটো কেন্দ্ৰতেই সশস্ত্ৰ নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। সমষ্টিকেইটাৰ উপ-নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিৰ বাবে ১১ গৰাকী, চিদলীৰ বাবে ৩ গৰাকী, বিহালী আসনখনৰ বাবে ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিত ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। নিৰ্বাচনৰ আয়োগৰ তথ্য অনুসৰি এইবাৰ উপ-নিৰ্বাচনত ৯ লাখ ১২ হাজাৰৰো অধিকসংখ্যক ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। আমাৰ সংবাদদাতাই জনাইছে যে আটাইকেইটা সমষ্টিতে শাসকীয় বিজেপি, অসম গণ পৰিষদ, ইউ পি পি এল মিত্ৰজোঁট আৰু কংগ্ৰেছৰ মাজত পোনপটীয়া প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে। ইপিনে, উত্তৰ প্ৰদেশ, পঞ্জাৱ, কেৰালা আৰু উত্তৰাখণ্ডৰ ১৫ টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ২০ নৱেম্বৰত ভোটগ্ৰহণ কৰা হ'ব। এই সমষ্টিকেইটাৰ সমান্তৰালভাৱে মহাৰাষ্ট্ৰ নান্দেড় সংসদীয় সমষ্টিৰ বাবেও সিদিনাখন ভোটগ্ৰহণ কৰা হ'ব। ২৩ নৱেম্বৰত উপ-নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ দৰভাংগাত ১২ হাজাৰ কোটিৰো অধিক টকাৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। অঞ্চলটোৰ স্বাস্থ্য আন্তঃগাঁথনি শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰীয়ে দৰভাংগা অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান- এইমছৰ আধাৰশিলা স্থাপন কৰিব। এহেজাৰ ২৬০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া এই অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ চৌহদটো অত্যাধুনিক ছুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু আয়ুষ খণ্ড, চিকিৎসা মহাবিদ্যালয়, নাৰ্ছি মহাবিদ্যালয়, নৈশ আশ্ৰয় গৃহ আৰু অন্য আবাসীক সুবিধাৰে সুসজ্জিত হ'ব। আমাৰ সংবাদদাতাই জনাইছে যে দৰভাংগাত এইমছৰ নিৰ্মাণ কাৰ্য তিনি

বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব। ইয়াৰ পৰা মিথিলাঞ্চলৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ হ'ব। জে ডি ইউৰ ৰাষ্ট্ৰীয় কাৰ্যবাহী সভাপতি সঞ্জয় ঝাই কৈছে যে, এই প্ৰতিষ্ঠান উত্তৰ বিহাৰৰ জনসাধাৰণৰ বাবে আশীৰ্বাদস্বৰূপ হ'ব।

প্ৰধানমন্ত্ৰীয়ে লগতে ৬ হেজাৰ ৮০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰে'ল প্ৰকল্পৰো উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই সন্দৰ্ভত আমাৰ সংবাদদাতাই এইদৰে কয়–

*(বাইট)*

শ্ৰী মোদীয়ে দৰভাংগাৰ পৰাই দেশৰ বিভিন্ন প্ৰান্তৰ ৰে'ল ষ্টেচনত স্থাপন কৰা ১৮টা প্ৰধানমন্ত্ৰী ভাৰতীয় জনঔষধি কেন্দ্ৰ মুকলি কৰিব। এই কেন্দ্ৰসমূহে ৰে'ল ষ্টেচনসমূহত বহনসাধ্য ঔষধৰ উপলব্ধতা সুনিশ্চিত কৰিব আৰু জেনেৰিক ঔষধৰ বিষয়ে সজাগতা বৃদ্ধি পাব। প্ৰধানমন্ত্ৰীয়ে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ ক্ষেত্ৰৰ চাৰি হাজাৰ ২০ কোটিৰো অধিক টকা মূল্যৰ আন কেইবাটাও প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দাদৰা নগৰ হাভেলী তথা দমন আৰু দিউ কেন্দ্ৰীয় শাসিত অঞ্চলৰ তিনি দিনীয়া ভ্ৰমণৰ অংশ হিচাপে আজি চিলভাচাত থকা নমো চিকিৎসা শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানলৈ যাব। ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাকসকলৰ সৈতে মত বিনিময় কৰিব। শ্ৰীমতী মুৰ্মুৱে জানদা চৌক বিদ্যালয় মুকলি কৰাৰ লগতে চিলভাচাত এখন সভাকো সম্বোধন কৰিব। ৰাষ্ট্ৰপতিয়ে ডিউত থকা আই এন এছ খুখৰি স্মাৰকো পৰিদৰ্শন কৰিব।

আমাৰ সংবাদদাতাই জনোৱা মতে ৭৬ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা জানদা বিদ্যালয় শিক্ষা কেন্দ্ৰত প্ৰায় ১২ হাজাৰ শিক্ষাৰ্থীৰ বাবে সা-সুবিধা আছে।

০০০০০

বিদেশ পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে আজি নতুন দিল্লীত চৌদি আৰবৰ বিদেশ মন্ত্ৰী ৰাজকুমাৰ ফৈজল বিন, ফৰহান অল চৌদৰ সৈতে বৈঠকত মিলিত হ'ব। চৌদি আৰবৰ বিদেশমন্ত্ৰীগৰাকী কালি দুদিনীয়া ভ্ৰমণ সূচীৰে ভাৰতত উপস্থিত হয়।

আমাৰ সংবাদদাতাই জনোৱা মতে ভাৰত আৰু চৌদি আৰবৰ মাজত শতিকা পুৰণি অৰ্থনৈতিক আৰু সামাজিক-সাংস্কৃতিক ক্ষেত্ৰত বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। ভাৰত চৌদি আৰবৰ দ্বিতীয় সৰ্ববৃহৎ ব্যৱসায় সহযোগী। আনহাতে চৌদি আৰব হৈছে ভাৰতৰ চতুৰ্থ বৃহৎ ব্যৱসায় সহযোগী। ২০২৩ বিত্তীয় বৰ্ষত দেশ দুখনৰ মাজত ৫ হাজাৰ ২৭৬ কোটি ডলাৰৰ ব্যৱসায় হৈছে। চৌদি আৰবত ২৬ লাখতকৈ অধিক ভাৰতীয় মূলৰ লোক আছে আৰু তেওঁলোকে দেশ দুখনৰ মাজত সেতুৰ দৰে কাম কৰি আহিছে।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ছেঞ্চুৰীয়ানত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। বৰ্তমানলৈকে ভাৰত আৰু দক্ষিণ আফ্ৰিকা উভয়ে একোখনকৈ খেলত জয়লাভ কৰিছে। ভাৰতে প্ৰথমখন খেলত ৬১ ৰানত জয়লাভ কৰাৰ বিপৰীতে দক্ষিণ আফ্ৰিকাই দ্বিতীয়খন খেলত ৩ উইকেটত বিজয় সাব্যস্ত কৰিছে।

০০০০০

ভাৰত আজি বিহাৰৰ ৰাজগিড়ত অনুষ্ঠিত মহিলাৰ এছিয়ান ছেম্পিয়নছ হকী প্ৰতিযোগিতাত থাইলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰি বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। প্ৰতিযোগিতাত আজি হ'বলগীয়া আন দুখন খেলৰ ভিতৰত দক্ষিণ কোৰিয়া দুপৰীয়া ১২ বাজি ১৫ মিনিটত মালয়েছিয়াৰ সন্মুখীন হ'ব। ইপিনে, চীন দিনৰ ২ বাজি ৩০ মিনিটত হ'বলগীয়া আন এখন খেলত জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ভাৰতে কালি প্ৰতিযোগিতাৰ এখন ৰোমাঞ্চকৰ খেলত দক্ষিণ কোৰিয়াক ৩-২ গ'লত পৰাস্ত কৰে। খেলখনত ভাৰতৰ হৈ দীপিকা কুমাৰীয়ে দুটা আৰু সংগীতা কুমাৰীয়ে এটা গ'ল দিয়ে। কোৰিয়াৰ হৈ অধিয়ানক ছিয়ন উনবি আৰু লী যুৰিয়ে একোটাকৈ গ'ল দিয়ে।

ooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৱেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

ooooo

**সমাপ্ত**